সন্দেহযুক্ত বিষয় পৰিত্যাগ কৰি যিটোত সন্দেহ নাই সেইটো গ্ৰহণ কৰা।

ৰাছুলুল্লাহ চাল্লাল্লাহু ‘আলাইহি অছাল্লামৰ স্নেহাস্পদ দৌহিত্ৰ আবু মুহাম্মদ
হাছান ইবনে আলী ইবনে আবী তালিব ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছে: মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা এইটো হাদীছ মুখস্থ কৰিছোঁ। "সন্দেহযুক্ত বিষয় পৰিত্যাগ কৰি যিটোত সন্দেহ নাই সেইটো গ্ৰহণ কৰা।"
[رواه الترمذي والنسائي] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে প্ৰত্যেক সেই কথা আৰু কৰ্ম পৰিত্যাগ কৰিবলৈ নিৰ্দেশ দিছে, যিটোত সন্দেহ-সংশয় আছে যে, আচলতে সেইটো নিষেধকৃত হয়নে নহয়, অথবা সেইটো হালাল নে হাৰাম। পক্ষান্তৰে সেইটোক গ্ৰহণ কৰিবলৈ কৈছে, যিটোৰ হালাল হোৱাৰ ক্ষেত্ৰত নিশ্চয়তা আছে তথা য'ত কোনো সন্দেহ নাই।

http://sunnah.global/hadeeth/as/show/66519